জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

...ীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২৪০ ● মঙলবাৰ ● ২৮ বহাগ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday May 12, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্রকা...

শ্ৰীমন্ত শংকৰদেৱ চিকিৎসালয়

গেষ্ট্ৰ' আৰু লিভাৰ বিশেষজ্ঞ

২৩ মে' ২০২৬ আৰু ২৪ মে' ২০২৬



ডা° পংকজ সিং
গল্ড মেডেলিষ্ট

জ্যেষ্ঠ মেডিকেল গেষ্ট্ৰ'এন্টেৰ'লজিষ্ট
মেক্স চুপাৰস্পেচিয়েলিটি হস্পিতেল, দিল্লী

...কোনো ধৰণৰ লিভাৰৰ ৰোগ, জন্দিচ, ভোক নলগা, লিভাৰ চিৰ'চিচ, ...পনক্ৰিয়াটাইটিছ, ফেটি লিভাৰ আদি ...কলো ৰোগৰ চিকিৎসা আৰু পৰামৰ্শৰ বাবে যোগাযোগ কৰক ঃ-

৯৩৬৫৮৮১৪৩১ | ০৩৭৩-২৩২৭৭১৭

...অনলাইনৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব :: www.sshri.com

শ্ৰীমন্ত শংকৰদেৱ চিকিৎসালয়

## কানৈ মহাবিদ্যালয়ৰে বুজাবুজি চুক্তি স্বাক্ষৰিত

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'র্টাৰ, ১১ মে' ঃ কানৈ মহাবিদ্যালয় আৰু জিলা কম্পিউটাৰ কেন্দ্ৰৰ মাজত আজি এক বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ মূল উদ্দেশ্য হৈছে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰিক প্ৰশিক্ষণ আৰু ইণ্টাৰ্নশ্বিপৰ সুবিধা প্ৰদান কৰা। বিশেষকৈ Four Year Undergraduate Programme (FYUGP)-ৰ অন্তৰ্গত পঞ্চম যাণ্মাসিকৰ শিক্ষাৰ্থীসকলৰ ইণ্টাৰ্নশ্বিপৰ ক্ষেত্ৰত এই চুক্তি বিশেষভাৱে সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। এই চুক্তিৰ জৰিয়তে দুয়োটা প্ৰতিষ্ঠানৰ মাজত শৈক্ষিক সহযোগিতা অধিক সুদৃঢ় হোৱাৰ লগতে শিক্ষাৰ্থীসকলে কম্পিউটাৰ প্ৰয়োগ, ডিজিটেল শিক্ষণ আৰু কাৰিকৰী দক্ষতাৰ ক্ষেত্ৰত ব্যাৱহাৰিক অভিজ্ঞতা লাভ কৰাৰ সুযোগ পাব। ইয়াৰ ফলত শিক্ষাৰ্থীসকলে পঢ়া-শুনাৰ উপৰি পেছাগত পৰিৱেশৰ সৈতে পৰিচিত হোৱাৰ সুবিধা লাভ কৰিব। উভয় প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষই আশা প্ৰকাশ কৰে যে এই সহযোগিতাই তাত্ত্বিক জ্ঞান আৰু ব্যাৱহাৰিক শিক্ষাৰ মাজৰ ব্যৱধান দূৰ কৰাত সহায় কৰিব আৰু শিক্ষাৰ্থীসকলৰ দক্ষতা, কৰ্মমুখী জ্ঞান তথা পেছাগত সক্ষমতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই বুজাবুজি চুক্তিক মহাবিদ্যালয়খনত দক্ষতাভিত্তিক আৰু কৰ্মমুখী শিক্ষাৰ বিকাশৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে।

এই কথা প্ৰকাশ কৰে মহাজোঁট অসমৰ প্ৰধান সম্পাদক গোপাল হাজৰিকা, সভাপতি ড° সোণেশ্বৰ কলিতাই। তেওঁলোকৰ আশা দ্বিতীয়টো কাৰ্যকালৰ বাবে শপত গ্ৰহণ কৰা নতুন চৰকাৰখনে পূৰ্বৰ তুলনাতকৈও অধিক গতিত অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসকলৰ সকলো প্ৰকাৰৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে কাম কৰি যাব। অসমৰ প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী কলিতা, নাথ যোগী, সূত, কুমাৰ, কেওটসকলৰ প্ৰায় ডেৰ কোটি জনতাই এই চৰকাৰৰ প্ৰতিটো জনকল্যাণমূলক কামত আগন্তুক দিনত পূৰ্ণ সহযোগিতা আগবঢ়াব। খিলঞ্জীয়া জনগোষ্ঠী মহাজোঁট, অসমে আমাৰ জনগোষ্ঠীসমূহৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰিবলৈ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গঠন হ'ব লগা নতুন চৰকাৰৰ প্ৰতি আহ্বান জনায়।

মীন উন্নয়ন বিষয়া, শিৱস...
২০২৬ তাৰিখৰ দিনাই ২....
কাৰণবশতঃ কাৰ্যালয় বন্ধ...
নিবিদাৰ লগত ৮.২৫ টক...
নগত পৃথকে দিব লাগিব...
অৰ্ডাৰ জিলা মীন উন্নয়ন...
ফিচাৰীৰ বিপৰীতে ই.এম...
নিবিদাৰ লগত জমা দিয়া...
পত্ৰসমূহ নিবিদাৰ লগত দ...
হ'ব। নিবিদা খোলাৰ স...
উপস্থিত থাকিব পাৰিব।

কৃতকাৰ্য নিবিদাকাৰী...